# 2022

## ASSAMESE

## ( Honours Elective )

Paper : ASM-HE-5016

**( Study of Assamese Folk Literature )**

**( অসমীয়া লোকসাহিত্য অধ্যয়ন )**

*Full Marks* : 80

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া (যি কোনো দহটা) : ১×১০=১০

(ক) লোকসাহিত্য বা বাচিক কলা ব্যক্তি নিৰপেক্ষ নে ব্যক্তি সাপেক্ষ, লিখা।

(খ) বাণীকান্ত কাকতিয়ে লোকসাহিত্যক বুজাবৰ বাবে ব্যৱহাৰ কৰা নাম দুটাৰ যি কোনো এটা নাম লিখা।

(গ) সত্যেন্দ্ৰনাথ শৰ্মাই অসমীয়া লোকগীতক কেইটা ভাগত ভাগ কৰিছে?

(ঘ) জনজাতীয় লোকসাহিত্যক বহলভাৱে কেইটা ভাগত ভাগ কৰা হৈছে?

(ঙ) মিচিং জনগোষ্ঠীৰ মাজত অপায় অমঙ্গল দূৰ কৰিবৰ বাবে মিবুৱে (পুৰোহিতে) মাঙ্গলিক কাৰ্যত গোৱা স্তুতিমূলক গীতক কি নামেৰে জনা যায়?

(চ) 'আইনাম' কোন শ্ৰেণীৰ লোকগীতৰ অন্তৰ্গত?

(ছ) ভাৰতীয় সংস্কৃতিত মন্ত্ৰৰ সুস্পষ্ট পৰম্পৰা কোনখন বেদৰ পৰা আৰম্ভ হৈছে?

(জ) 'দদান বীৰৰ কাহিনী' কোন জনজাতিৰ মাজত প্ৰচলিত জনশ্ৰুতিমূলক কাহিনী?

(ঝ) 'হস্তীকন্যাৰ গীত'ৰ প্ৰধান ৰস কি?

(ঞ) ইতিহাসখ্যাত 'দন্দুৱা দ্ৰোহ'ৰ কথা কোনটো বুৰঞ্জীমূলক মালিতাত প্ৰকাশ পাইছে?

(ট) 'ভাউৰাৰ গীত' কোন শ্ৰেণীৰ মালিতাৰ অন্তৰ্গত?

(ঠ) 'বাগৰুম্বা গীত' অসমৰ কোনটো জনজাতিৰ নৃত্যৰ লগত গোৱা হয়?

(ড) 'ধনবৰ আৰু ৰতনী' কোন যুগত ৰচিত মালিতা?

(ঢ) বিহুগীতবোৰ সাধাৰণতে কি ছন্দত ৰচিত?

(ণ) ৰাভাসকলৰ 'বায়খো' উৎসৱত গোৱা গীতবোৰক কি নামেৰে জনা যায়?

(ত) আজান পীৰ বা শ্বাহ মিলনৰ নামত প্ৰচলিত গীতসমূহ কি নামেৰে জনা যায়?

(থ) দেহবিচাৰৰ গীতসমূহ মূলতঃ কি ভাৱসম্পন্ন?

(দ) প্ৰেম আৰু সতীত্বক কেন্দ্ৰ কৰি ৰচিত হোৱা এটা বাৰমাহী গীতৰ নাম লিখা।

২। চমুকৈ উত্তৰ দিয়া (যি কোনো পাঁচটা) : ২×৫=১০

(ক) 'Folk' আৰু 'Lore' শব্দ দুটিয়ে কি অৰ্থ বহন কৰে, সুকীয়াকৈ বুজাই লিখা।





(খ) 'গেয়' আৰু 'কথ্য' ৰূপত পোৱা লোকসাহিত্যৰ একোটাকৈ উদাহৰণ দিয়া।

(গ) চাহ জনগোষ্ঠীৰ 'কৰম পূজা'ত গোৱা দুই প্ৰকাৰ গীত কি কি, লিখা।

(ঘ) সাধুকথাৰ যি কোনো দুটা বৈশিষ্ট্য উল্লেখ কৰা।

(ঙ) "মন্ত্ৰবোৰক সাধাৰণতে দুটা ভাগত ভাগ কৰিব পাৰি।" ভাগ দুটা কি কি, উল্লেখ কৰা।

(চ) ডাকৰ বচনৰ সৈতে সংপৃক্ত হৈ থকা অসমৰ বাহিৰৰ দুগৰাকী বেলেগ ব্যক্তিৰ নাম লিখা।

(ছ) 'বৰফুকনৰ গীত' আৰু 'নাও খেলোৱা গীত' ক্ৰমে কোন শ্ৰেণীৰ লোকগীত, উল্লেখ কৰা।

(জ) 'নলুৱা-চলুৱাৰ গীত' অসমৰ কোন জনজাতিৰ গীত আৰু ইয়াত কি উৎপত্তি-বিষয়ক কথা আছে?

(ঝ) 'আলি আয়ে লৃগাং' কোনে, কেতিয়া পালন কৰে?

(ঞ) 'বড়ো কছাৰী গীত মাত' আৰু 'অসমীয়া জনসাহিত্য' গ্ৰন্থ দুখনৰ ৰচকৰ নাম লিখা।

৩। চমু টোকা লিখা (যি কোনো চাৰিটা) : ৫×৪=২০

(ক) লোকসাহিত্যৰ আঞ্চলিক বিভাজন

(খ) লোকৰীতি

(গ) প্ৰবাদ-পটন্তৰ

(ঘ) বিবিধ-বিষয়ক লোকগীত

(ঙ) খণ্ডিত মালিতা

(চ) হুচৰি গীত আৰু বনগীত

(ছ) চ'মাংকানৰ গীত

(জ) ভঠেলি উৎসৱৰ গীত

৪। তলৰ প্ৰশ্নসমূহৰ উত্তৰ লিখা (যি কোনো চাৰিটা) : ১০×৪=৪০

(ক) লোকসাহিত্য বুলিলে কি বুজা? লোকসাহিত্যৰ বৈশিষ্ট্যসমূহ আলোচনা কৰি এটি প্ৰবন্ধ যুগুত কৰা।

(খ) লোকসংস্কৃতিৰ অধ্যয়নত লোকসাহিত্যৰ গুৰুত্ব সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(গ) জনজাতীয় লোকসাহিত্যৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঘ) অসমৰ লোকসাহিত্যত সাধুকথাৰ ভূমিকা আৰু ইয়াৰ ভাগ-বিভাজন সম্পৰ্কে এটি আলোচনা যুগুত কৰা।

(ঙ) অসমীয়া আৰু অসমীয়াৰ নৃগোষ্ঠীয় উপভাষাত ৰচিত নিচুকণি গীত-মাতৰ বিষয়ে উদাহৰণসহ আলোচনা কৰা।

(চ) মালিতা বুলিলে কি বুজা? মালিতাৰ বৈশিষ্ট্যসমূহ সামৰি এটি আলোচনা যুগুত কৰা।

(ছ) বুৰঞ্জীমূলক মালিতা বুলিলে কি বুজা? বুৰঞ্জীমূলক মালিতা কেইটামানৰ বিশেষ উল্লিখনসহ এটি আলোচনা যুগুত কৰা।

(জ) বড়ো *অথবা* ৰাভা জনজাতিৰ ধৰ্মকেন্দ্ৰিক গীতৰ বিষয়ে এটি আলোচনা আগবঢ়োৱা।

(ঝ) চাহ জনগোষ্ঠীয় লোকগীত সম্পৰ্কে এটি আলোচনা কৰা।

(ঞ) "গোৱালপাৰা অঞ্চলত বিবিধ ধৰণৰ লোকগীত প্ৰচলিত আছে।" কথাষাৰৰ আঁত ধৰি গোৱালপৰীয়া লোকগীতৰ বিষয়ে এটি আলোচনা কৰা।

★★★